# REGIONAL NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 14-04-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন।

২। পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰৰ পৰীক্ষণ সম্পন্ন।

৩। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ উপস্থিতিত ত্ৰিপাক্ষিক বৈঠকৰ বাবে মুখ্যমন্ত্ৰীৰ পোষকতা।

৪। ভাৰতীয় সংবিধানৰ মুখ্য প্ৰণেতা, শিক্ষাবিদ, আইনবিদ তথা সমাজ সংস্কাৰক বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ আজি জয়ন্তী।

*আৰু*

৫। ২৭ এপ্ৰিলৰ পৰা ৪ মে’লৈ ফিলিপিনছত হ’বলগীয়া এছিয়ান ল’ন বল প্ৰতিযোগিতাৰ ভাৰতীয় দলত অসমৰ পাঁচগৰাকী খেলুৱৈ অন্তৰ্ভুক্ত।

০০০০০

অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ প্ৰথম দিনটো আজি গৰু বিহু হিচাপে সমগ্ৰ ৰাজ্যজুৰি উদযাপন কৰা হৈছে। এই উপলক্ষে পুৱাৰে পৰা নৈৰ ঘাট আৰু খাল-বিলসমূহত উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে। পুৱাই গঞা ৰাইজে গোহালিৰ গৰুকেইটা নোৱাই-ধোৱাই বছৰটোলৈ গোধনৰ শ্ৰীবৃদ্ধি কামনা কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে বিহু উপলক্ষে ৰাজ্যখনৰ জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে বিহুৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত উদযাপন কৰা বৈশাখী, পহিলা বৈশাখ, মেযাদি, পুতান্দু পিৰাপুকে ধৰি নৱবৰ্ষৰ উদসৱসমূহৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই অসমীয়াৰ বাপতিসাহোন ৰঙালি বিহু আৰু অসমীয়া নৱবৰ্ষৰ শুভক্ষণত ৰাজ্যবাসীলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহুৱে সংস্কৃতি আৰু পৰিৱেশৰ মাজৰ চিৰ বিৰাজমান আন্তঃসম্পৰ্ক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰঙালী বিহু উপলক্ষে ৰাজ্যবাসীক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ প্ৰাককক্ষণত বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মিতভাষৰ স্ৰষ্টা ড০ নগেন শইকীয়াই অসমবাসী ৰাইজক আকাশবাণী যোগে এইদৰে শুভেচ্ছা জনাই মনৰ ভাব প্ৰকাশ কৰিছে।

***(বাইট ঃ ড০ নগেন শইকীয়া)***

ৰাজ্যৰ আন প্ৰান্তৰ লগতে চৰাইদেউ জিলাতো উলহ-মালহেৰে গৰু বিহু পালন কৰা হৈছে। এই উপলক্ষে পুৱাতে গৰুক নৈ-জান-জুৰিৰ পাৰলৈ নি গা ধুওৱাৰ উপৰি লাউ-বেঙেনা খুৱাই মংগল কামনা কৰা হৈছে। চৰাইদেউত গৰু বিহুৰ পৰিৱেশ সম্পৰ্কে জানিবলৈ আমি এতিয়া সম্প্ৰতি জিলাখনত থকা আমাৰ সংবাদদাতা নবুল কোঁৱৰৰ ওচৰলৈ যাম। নবুল আমাক গৰু বিহুৰ পৰিৱেশ সম্পৰ্কে জনাওক-

*(ভইচ ঃ নবুল কোঁৱৰ)*

তিনিচুকীয়া জিলাতো আজি গৰু বিহু উপলক্ষে পুৱাৰে পৰাই উৎসাহ-উদ্দীপনা দেখা গৈছে। কৃষিৰ বাবে অপৰিহায্য গো-ধনৰ শ্ৰীবৃদ্ধিৰ বাবে আজি জিলাখনৰ কৃষিজীৱি ৰাইজে পুৱাৰে পৰা গৰুক গা ধুৱাই বিহু পালন কৰিছে। জিলাখনত গৰু বিহু পালন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মনোৰঞ্জন মৰান-

*(ভইচ ঃ মনোৰঞ্জন মৰান)*

শিৱসাগৰ জিলাতো আজি ৰাইজে গৰু বিহু উপলক্ষে কৃষ্টি-সংস্কৃতি ৰক্ষা কৰি ৰীতি-নীতিসমূহ পালন কৰাৰ লগতে উলহ-মালহেৰে বিহু উদযাপন কৰিছে।

লখিমপুৰ জিলাৰ জনসাধাৰণে আজি গৰু বিহু উলহ-মালহেৰে পালন কৰাৰ লগতে নৱবৰ্ষক আদৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ঘৰে ঘৰে পিঠাপনা প্ৰস্তুত কৰাৰ উপৰি বজাৰতো খাদ্য-সামগ্ৰীৰ উভৈনদী হৈছে।

গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্ততো গৰু বিহু পালন কৰা হৈছে। জিলাখনৰ আগিয়া, শিমলিতোলা, ৰংজুলি, ধূপধৰা, কৃষ্ণাই আদি অঞ্চলত গৰু বিহু উপলক্ষে ব্যাপক উৎসাহ উদ্দীপনা দেখা গৈছে। বৰপেটাত আজিৰে পৰা সত্ৰ কেন্দ্ৰিক পৰম্পৰাৰে বিহু উদযাপন আৰম্ভ হৈছে। জিলাখনৰ বিভিন্ন প্ৰান্তত আজি গৰু বিহু পালন কৰা হৈছে। বৰপেটা সত্ৰত আজিৰে পৰা ৬ ব'হাগলৈ সত্ৰত নৈমিত্তিক প্ৰসংগ কৰা হ'ব। কাইলৈ অৰ্থাৎ পহিলা ব'হাগত সত্ৰৰ দৈবজ্ঞই বৰ্ষফল গণনা কৰিব। ৭ ব'হাগৰ দিনা সত্ৰৰ কৰাপাটৰ বাহিৰত অনুষ্ঠিত বৰপেটাৰ বিখ্যাত **বীৰনাম**ৰ জৰিয়তে দোমাহি উদযাপনৰ সামৰণি পৰিব।

কামৰূপ জিলাৰ বকো, ছয়গাঁও, হাজো, কমলপুৰকে ধৰি বিভিন্ন অঞ্চলত আজি পৰম্পৰাগতভাৱে গৰু বিহু পালন কৰা হৈছে। ঠায়ে ঠায়ে আজি মুকলি বিহুৰো আয়োজন কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

বিগত বৰ্ষৰ দৰে ব'হাগক আদৰিবলৈ এইবাৰো সদৌ গুৱাহাটী ছাত্ৰ সন্থাই আজি জজ খেলপথাৰত মুকলি বিহুৰ আয়োজন কৰিছে। এই অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও প্ৰখ্যাত বিহু হুঁচৰি দলে অংশগ্ৰহণ কৰিব। লগতে অসমৰ সমাজ জীৱনলৈ প্ৰভূত বৰঙণি আগবঢ়োৱা কেইবাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব।

ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীয়ে আজিৰে পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে লতাশিল খেলপথাৰত ৰঙালী বিহুৰ আয়োজন কৰিছে।

00000

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদক সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ বিষয়টো সন্দৰ্ভত শীঘ্ৰেই কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত এখন ত্ৰিপাক্ষীক বৈঠক অনুষ্ঠিত কৰাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পোষকতা কৰিছে। ৰাজ্য চৰকাৰ আৰু ৰাভা-হাচং স্বায়ত্ব শাসিত পৰিষদৰ প্ৰতিনিধি এই বৈঠকত উপস্থিত থাকিব। দুধনৈত কালি পৰিষদৰ নৱ নিৰ্বাচিত ৩৬ গৰাকী পাৰিষদৰ শপত গ্ৰহণ অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। মুখ্যন্ত্ৰীয়ে কালিৰ অনুষ্ঠানত ৰাভা বীৰ দদানক শ্ৰদ্ধাৰে স্মৰণ কৰি বীৰগৰাকীৰ এটা ১০০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। পৰিষদৰ প্ৰতিটো এলেকাৰ দ্ৰুত উন্নয়নৰ বাবে অসম চৰকাৰৰ পৰা আৱণ্টিত পুঁজিৰ বাহিৰেও পৰিষদৰ প্ৰতিটো সমষ্টিত সুকীয়াকৈ ধনৰ আৱণ্টন দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অনুষ্ঠানত অংশ লোৱাৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে ৰাভা বীৰ পৰশুৰামৰ প্ৰতিমুৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে নৱ নিৰ্বাচিত পাৰিষদসকলক শপত বাক্য পাঠ কৰোৱায়। এই অনুষ্ঠানতে টংকেশ্বৰ ৰাভাই

তৃতীয়বাৰৰ বাবে পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। একেদৰে সোনাৰাম ৰাভাই অধ্যক্ষ আৰু অলকা ৰাভাই উপাধ্যক্ষ হিচাপে শপত লয়।

ooooo

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিলৰ পাছতে পৰীক্ষণ সম্পন্ন হৈছে। তিনিচুকীয়া জিলা পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত জিলাখনৰ ২২খন আসনৰ বাবে দাখিল কৰা মুঠ ৬৭জন প্ৰাৰ্থীৰ মনোনয়ন বৈধ পোৱা গৈছে। জিলাখনৰ আঞ্চলিক পঞ্চায়তৰ বাবে ২০৫খন মনোনয়ন পত্ৰ বৈধ হোৱাৰ বিপৰীতে ৭খন মনোনয়ন পত্ৰ নাকচ কৰা হয়।

শোণিতপুৰ জিলাৰ অন্তৰ্গত ২০খন জিলা পৰিষদৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা ৪৯গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছিল। মনোনয়ন পত্ৰ পৰীক্ষণৰ অন্তত ৪৮খন মনোনয়ন গ্ৰহণ আৰু এখন মনোনয়ন নাকচ কৰা হৈছে। জিলাখনৰ অন্তৰ্গত  ৮৮খন গাঁও পঞ্চায়ত সমষ্টিৰ বিপৰীতে দুহেজাৰ ২৫২খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত দুহেজাৰ ১৬৮খন মনোনয়ন গ্ৰহণ কৰা হৈছে আৰু ৮৪খন মনোনয়ন পত্ৰ বিভিন্ন কাৰণত নাকচ কৰা হয়।

কামৰূপ জিলাৰ অন্তৰ্গত মুঠ ২০খন জিলা পৰিষদৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ৫২গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ১২খন আঞ্চলিক পঞ্চায়তৰ অধীনৰ ১১৪খন গাঁও পঞ্চায়তৰ বাবে ২৫৩গৰাকীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ পৰীক্ষণৰ অন্তত বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ বাবে ১৭ এপ্ৰিলৰ বিয়লি ৩ বজালৈ সময় নিৰ্ধাৰণ কৰা হৈছে আৰু একে দিনাই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰাৰ্থীসকলৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব।

পঞ্চায়ত নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। বিভিন্ন জিলাৰ সদৰসমূহত ষ্ট্ৰং ৰূম আৰু গণনা কক্ষ স্থাপন কৰা হৈছে আৰু জিলা আয়ুক্তৰ লগতে নিৰ্বাচনী বিষয়াই কক্ষসমূহ পৰিদৰ্শন কৰে। নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাকৈ শৃংখলিতভাৱে সম্পন্ন কৰাৰ বাবে ৰাজ্যিক নিৰ্বাচনী আয়োগে জিলাসমূহত সাধাৰণ পৰ্যবেক্ষক নিয়োগ কৰিছে। নিৰ্বাচন সংক্ৰান্তীয় ওজৰ-আপত্তি থাকিলে নিৰ্বাচনী বিষয়াক আপত্তি দাখিল কৰিবলৈ যোগাযোগ নম্বৰ মুকলি কৰা হৈছে।

ooooo

ভাৰতীয় সংবিধানৰ মুখ্য প্ৰণেতা, শিক্ষাবিদ, আইনবিদ তথা সমাজ সংস্কাৰক বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ আজি জয়ন্তী। স্বাধীন ভাৰতৰ প্ৰথমগৰাকী আইন মন্ত্ৰী ড০ আম্বেদকাৰৰ জয়ন্তী উপলক্ষে দেশৰ বিভিন্ন স্থানত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সামাজিক সম্প্ৰীতি আৰু সমতা স্থাপনৰ লগতে মহিলা আৰু বঞ্চিত শ্ৰেণীৰ অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ প্ৰতিষ্ঠাৰ উদ্দেশ্যে ড০ আম্বেদকাৰে অহোপুৰুষাৰ্থ কৰিছিল। আম্বেদকাৰৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ শুভেচ্ছা জনাইছে।

ooooo

অহা  ২৭ এপ্ৰিলৰ পৰা ৪ মে'লৈ ফিলিপাইনছত হ'বলগীয়া ১৬ সংখ্যক ছিনিয়ৰ আৰু ১৪ সংখ্যক ২৫ বৰ্ষৰ অনুৰ্দ্ধ এছিয়ান ল'ন বল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতালৈ ভাৰতীয় দলত অসমৰ পাঁচগৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় ছিনিয়ৰ দলত অসমৰ অৰ্জুন নয়নমণি শইকীয়া, বনগীতা হাজৰিকা আৰু পুতুল সোণোৱালে বাছনি লাভ কৰিছে। ইপিনে, ২৫ বৰ্ষৰ অনুৰ্দ্ধ ভাৰতীয় দলত অসম বিটু দাস আৰু সুৰঞ্জনা বৰুৱাই স্থান লাভ কৰিছে। ভাৰতীয় দলত স্থান লাভ কৰা অসমৰ

খেলুৱৈসকলক অসম ল'ন বল সন্থাই শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পদক লাভ কৰি অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশাৰ এখন খেলত মুম্বাই ইণ্ডিয়ানছে ডেলহী কেপিটেলছক ১২ ৰাণত পৰাস্ত কৰে। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰা মুম্বাইয়ে তিলক বাৰ্মাৰ ৩৩টা বলত কৰা ৫৯ ৰাণৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২০৫ ৰাণ কৰে। ৰায়ন ৰিকল্টন, সূৰ্য কুমাৰ যাদৱ আৰু নমন ধীৰেও উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ডেলহীয়ে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৯৩ ৰাণহে কৰিবলৈ সমৰ্থ হয়। কৰুণ নায়াৰে ৪০টা বলত ৮৯ ৰাণ কৰে। মুম্বাইৰ হৈ কৰ্ণ শৰ্মাই ৩টা আৰু মিটচেল ছেণ্টনাৰে দুটা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে কালি জয়পুৰত বিয়লিৰ ভাগত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ৰাজস্থান ৰয়েলছক ৯ উইকেটত পৰাস্ত কৰে। ৰাজস্থানে নিৰ্ধাৰণ কৰি দিয়া ১৭৪ ৰাণৰ বিজয় লক্ষ্য বেংগালুৰুৱে ১৭ অভাৰ ৩টা বলত মাত্ৰ এটা উইকেট হেৰুৱাইয়ে অতিক্ৰম কৰে।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ চেন্নাই ছুপাৰ কিংছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

পৰম্পৰাগত ৰীতি-নীতি আৰু উলহ-মালহেৰে আজি ৰাজ্যত ৰঙালীৰ সাত বিহুৰ প্ৰথমটো দিন গৰু বিহু উদযাপন কৰা হৈছে। এই বাতৰি অন্যান্য কাকতৰ লগতে অসমীয়া প্ৰতিদিন আৰু অসমীয়া খবৰ কাকতেও আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। দেশৰ ঘাইপথ উন্নীতকৰণৰ অংশ হিচাপে উত্তৰ-পূৰ্বাঞ্চল আৰু সীমান্ত এলেকাৰ আন্তঃগাঁথনি উন্নয়নত বিশেষ গুৰুত্ব দিয়া হ'ব বুলি কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। দৈনিক অসম কাকতে এই বাতৰিটো গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। জি এম চি এইচৰ কৰ্কট প্ৰতিষ্ঠানত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো ৰব'টিক অস্ত্ৰোপচাৰ যন্ত্ৰ মুকলি কৰা হৈছে। এই যন্ত্ৰই নিখুঁট, উচ্চমানৰ নিয়ন্ত্ৰণ তথা থ্ৰী-ডি দৃশ্যায়নৰ জৰিয়তে কৰ্কট ৰোগৰ উন্নত চিকিৎসা সম্ভৱ কৰি তুলিব। এই বাতৰিটো দৈনিক জনমভূমি কাকতৰ। মেট্ৰিকত ১৩৯ খন চৰকাৰী বিদ্যালয়ৰ শূন্য ফলাফলে ৰাজ্যৰ শিক্ষা বিভাগক উদ্বিগ্ন কৰি তুলিছে। এই বিদ্যালয়সমূহক জবাবদিহি কৰি শিক্ষা বিভাগৰ ফালৰ পৰা জিলা বিদ্যালয় পৰিদৰ্শকসকললৈ কাৰণ দৰ্শোৱাৰ নিৰ্দেশ দিয়া হৈছে। বাতৰিটো আমাৰ অসম কাকত প্ৰকাশ কৰিছে। আমেৰিকাৰ ভূমিত ৩০ দিনতকৈ অধিক দিন থকা বিদেশী নাগৰিক সকলে কেন্দ্ৰীয় বা যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ওচৰত পঞ্জীয়ন কৰাব লাগিব। বিদেশী নাগৰিকৰ ক্ষেত্ৰত মাৰ্কিন ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পৰ এনে কঠোৰ নীতি সন্দৰ্ভত দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

আদানী গোটে ৰাজ্যত ৫০ হাজাৰ কোটি টকা বিনিয়োগ সন্দৰ্ভত গোটৰ সঞ্চালক জিৎ আদানী আৰু তেওঁৰ প্ৰতিনিধিবৰ্গৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আলোচনাত মিলিত হোৱাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

ৰাছিয়াৰ মিছাইল আক্ৰমণত কালি ইউক্ৰেইনৰ এখন চহৰ ছামিত কমেও ৩২ জন লোকৰ মৃত্যু হয়। At least 32 killed in Russian missile strike in Ukraine শিৰোনামেৰে দি আছাম ট্ৰিবিউন কাকতে এই বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যৰ সকলো কেন্সাৰ হাস্পতালত একোখনকৈ নাৰ্চিং মহাবিদ্যায় স্থাপনৰ বিষয়ে চৰকাৰৰ গুণাগথা চলি আছে। শিক্ষাৰ্থীসকলে নিয়োগৰ ক্ষেত্ৰত অধিক সুযোগ লাভৰ আশাৰে নাৰ্চিং মহাবিদ্যালয়সমূহত ইংৰাজী আৰু জাপানী ভাষাৰ প্ৰৱৰ্তনৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। এই বাতৰি দ্যা ছেণ্টিনেল কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

০০০০০

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী, ঢেৰেকণিৰে বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কেতবোৰ ঠাইত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত